# দৰকাৰী কথা

**ডাঃ বিকাশ বৰুৱা**

পৃথিৱীত অগণন ৰাম। হে ৰাম, উস ৰাম, য়ে ৰাম, ইচ ৰাম, ৰাম ৰাম...। ভগৱান ৰাম, অযোধ্যাৰ ৰাম, নেপালৰ ৰাম। ব্ৰেণ্ডি হুইস্কিৰ লগত শাৰী পূৰাই বটলত ৰাম, গিলাচত ৰাম। সংসাৰৰ সমস্ত মায়া-মোহ এৰি সিফলীয়া হ'বৰ সময়তো ৰাম। ৰাম নাম সত্য হেয়। গুৰুলা-গুৰুলকৈ পিটিলে ৰাম পিটন, 'ঠিকচে' ঠগিলে ৰাম ঠগন। কম্পিউটাৰৰ ৰাম, চাহাবে কয় ৰেম। আমেৰিকাত খ্ৰাইছলাৰৰ এখন বিখ্যাত গাড়ী 'ৰাম'। গুগলত 'ৰাম' খুঁচৰিলে প্ৰথম এই ৰামেই ওলায়। ক'ম্পেনিৰ যিকোনো গাড়ী লৈ আহিব পৰা অফিছাৰ আকাশ শিখৰে অযোধ্যাত হোৱা ৰাম পূজনৰ দিনা ক'লে—"আজি মোৰ লগতো ৰাম। নতুন মডেলৰ, চিকচিকীয়া, মৰম লগা ৰাম..."

বন্ধুৰে টিভিত ৰামায়ণ চাই আছিল। ডালমুটৰ বটলটো লৈ কাষতে একান্ত বাধ্য ছাত্ৰীৰ দৰে ডাৰ্লিং প্ৰাণেশ্বৰীও। একোবত মূৰটো দাঙি তেওঁ হঠাতে এওঁক সুধিলে— "ৰাম দেখোন ভিলেইন হৈ গ'লহে, কথাটো কি? বাঘজানৰ দৰে একুৰা প্ৰকাণ্ড জুইত জীয়াই জীয়াই ঘৈণীয়েকজনীক সুমুৱাই দি অগ্নিপৰীক্ষা। তাৰ পাছতো সন্দেহ, অবিশ্বাস। মানুহৰ কথা শুনি বেচেৰীক ঘৰৰপৰাই বাহিৰ কৰি দিলে। পেটত দুটাকৈ কেঁচুৱাৰে সৈতে নি অকলশৰে হাবিত মেলি থৈ আহিল। শেষত গৈ বসুমতীয়ে ফাঁট মেলিব লগা অৱস্থা। আচৰিত নহয়নে? এইজন কেনেকুৱা নায়ক? কি ধৰণৰ ভগৱান?"

কিছু সময় তভক মাৰি থাকি ডাৰ্লিঙেও চিন্তা কৰি চালে। "বোধকৰোঁ ৰামায়ণ আধালিখা হওঁতেই বাল্মীকি টোপনি গ'ল আৰু চান্সটো পাই ৰত্নাকৰে আপাৰহেণ্ড ল'লে। ফলত বহুত বেয়া কথা সোমাল, ৰামৰ চৰিত্ৰটো ভিলেইন টাইপৰ হৈ গ'ল আৰু আত্মসন্মান থকা সকলো মহিলাই এইজনা ঈশ্বৰৰ নাম ল'বলৈ এৰি দিলে।"

চাঁতকৈ মলয়া গোস্বামীলৈ মনত পৰিল। ছিনেমাই-নাটকে তেখেত সদায় ভাল মানুহেই হয়। এবাৰ এখন ধাৰাবাহিকত কি হ'ল নাজানো, মস্ত ভিলেইন হৈ ওলাল। মা গৰম। "চাচোন, সেইহেন ভাল মানুহজনী হঠাতে ইমান বেয়া হৈ যাব লাগেনে? এইখন আৰু নাচাওঁ। বেলেগ কিবা লগা।" মহা মস্কিল.. গল্প, উপন্যাস, ছিনেমা, থিয়েটাৰ যিয়েই নহওক, কথাবোৰ সঁচা যেনেই লাগি যায়। গতিকে ভিলেইনক লৈ বিৰাট সমস্যা হয়। খুব ধুনীয়া মানুহ প্ৰাণৰ দৰে অভিনেতাৰ গালৈকো এবাৰ কোনোবাই ছেণ্ডেল দলিয়াইছিল।

"আৰু কি জানা? কাহিনী এটা তৈয়াৰ কৰিবৰ সময়ত বহুত প্লাছ-মাইনাছ কৰিব লগা হয়। আমাৰ নিচিনা অৰ্ডিনেৰি ঘৈণীয়েকবোৰৰ দৰে সীতায়ো মহামান্য পতিদেৱতাৰ লগতে একেটা কোঠাত একেখন বিছনাতে ওৰেটো জীৱন আঠা লাগি থকা হ'লে পাছৰ কাহিনীবোৰ আগেই নাবাঢ়িলহেঁতেন। সিফালে ৰত্নাকৰৰ প্ৰভাৱত ৰাৱণ হিৰ' হৈ গ'ল। নহ'লে শক্তিকাপুৰহঁতৰ ষ্টাইলত সীতাক নি পোনেই বঙলাত সুমুৱালেহেঁতেন। পৰ্বতৰ সমান ধন-সোণ দেখুৱাই পতাবলৈ চেষ্টা কৰিলেহেঁতেন। পিছে ক'তা.. গোটেই সময়খিনি সীতা অশোক বনতেই থাকিল। তাতো ছিছি টিভি কেমেৰাৰ দৰে শ শ চকুটেলেকা অসুৰ, ৰাক্ষস, কেয়াৰটেকাৰ..। ৰাৱণে 'ব'লাচোন প্ৰিয়ে, সিংহাসনত বহি কেনে লাগে চাবা' বুলি ঘৰলৈ মতা নাই। 'সাগৰৰ পাৰে পাৰে অকণমান ফুৰি আহোঁগৈ' বুলি ৰোমান্টিক প্ৰস্তাৱ দিয়া নাই। সমুখত আঁঠু কাঢ়ি এপাহি ৰঙা গোলাপেৰে 'উইল ইউ মেৰি মি' বুলি সোধা নাই। শেলে বিন্ধা ৰঙা কলিজাটোৰ সৈতে 'আই লাভ ইউ' লিখি হ্বাটছএপত মেছেজ পঠোৱা নাই। ধৰ্ষণ, বলাৎকাৰ আদি দূৰৰে কথা। ছি ছি ছি, ইমানখিনিৰ পাছতো সেইহেনজনী সীতাক সন্দেহ কৰি থাকিব লাগেনে? বৰ লাজৰ কথা।"

"কিন্তু.. বাল্মীকিয়েই হওক বা ৰত্নাকৰেই হওক, সেইহেনজন মহান সম্ৰাটৰ ডিঙিত দহটাকৈ মূৰ কি ভাবি বহুৱাই দিলে? সেইটো নকৰি এটা ছিংগল, নৰ্মেল মূৰ দিয়া হ'লে চৰিত্ৰটো সঁচা যেনেই লাগি থাকিলহেঁতেন।"

"নিশ্চয় মন্ত্ৰী-বিধায়ক হ'ব পৰা অসুৰ বা ৰাক্ষস তাত দ্বিতীয়জন নাছিল। কুম্ভকৰ্ণকতো জানাই। প'ষ্ট-ইলেকশ্যন অসমীয়া ভোটাৰৰ দৰে গোটেই জীৱন শুই থাকোঁতেই গ'ল। বিভীষণে আমাৰ হ'পলেছ কুলাংগাৰ তিনিটাৰ দৰে শত্ৰুৰ সৈতে হাত মিলালেগৈ। ৰাৱণ বেচেৰাই অকলেই দহটা মানুহৰ কাম কৰিব লগাত পৰিল।"

প্ৰাণেশ্বৰীয়ে আকৌ এবাৰ দকৈ চিন্তা কৰিলে। কেতিয়াবা একেজন মানুহেই হাজাৰজনৰ সমান হৈ দেশ চলাব লগাত পৰে। ষ্টেলিন, হিটলাৰ, ইডি আমিন, পল পট, ছীজাৰ, ছেংগিজ খাঁ, হো ছি মিন... ৰোমানিয়াত ছিউছেছক', ইৰানত ৰুহুল্লাহ খোমেইনি, কিউবাত কাষ্ট্ৰ', স্পেইনত ফ্ৰাংক', ইটালিত বেনিট', চীনত মাও চে তুং, ইৰাকত চাদ্দাম, লিবিয়াত গাদ্দাফি, উত্তৰ কোৰিয়াত সেই থোলোকা প্ৰেছিডেণ্টজন, লংকাত ৰাৱণ, দিল্লীত দাইটি... সকলোৰে একে দশা। পুটিন ৰাছিয়াৰ স্থায়ী ৰাষ্ট্ৰপতি। কাৰণ বিকল্প নাই। ইয়াতো এজনা ককাইদেৰে একেলেঠাৰিয়ে পোন্ধৰ বছৰমান ৰাজ্য চলালে। এটা বিয়াগোম ৰাষ্ট্ৰীয় দলত নেহৰুৰ পৰিয়ালটো বাদ দি মানুহেই নাই। ক'ৰবাত হয়তো একেজনেই স্বাস্থ্য, চিকিৎসা, বিত্ত, শিক্ষা, ভগা-ছিগা আলিবাট, মেডিকেল কলেজ, স্কুটি, বিধে বিধে আঁচনি, টুইটাৰ, সংবাদ মেল, কৰ'না, প্লাজমা, গামোচা, ইলেকশ্যন, মুখ চুপতি, ধনৰ ভঁৰাল.. আটাইবোৰ চম্ভালিব লগাত পৰিছে। হয়তো কোনো মহান সুদক্ষ নেতাই নিৰ্বাচনৰ সময়ত ভোট বিচাৰি আলিবাটত উৰ্ধ্ববাহু হৈ নাচিবও লগা হৈছে। দৰদাম কৰি এম্পি-এমেলে' কিনি ড্ৰাইভাৰৰ অভাৱত নিজেই গাড়ী চলাই অ'লৈ-ত'লৈ নিছে...

পৰম পবিত্ৰ, ঐতিহাসিক পাঁচ আগষ্টৰ দিনটোত বিভিন্ন প্ৰকাৰৰ পূজা, অৰ্চনা, উপাসনা, আৰাধনা আৰু পঞ্চাছ কিল'মান ওজনৰ বিশুদ্ধ ৰূপৰ শিলাখণ্ডৰে অযোধ্যা নগৰীত ৰাম মন্দিৰৰ আধাৰশিলা স্থাপন কৰি দিল্লীৰজনা অৱতাৰে সকলোকে আন্তৰিক ধন্যবাদ জনালে। পিছে টিভিৰ পৰ্দাত তাকে চাই বন্ধু বিবুধিত পৰিল। 'এখেতে দেখোন ঘাইজনাকেই ধন্যবাদ নজনালে। কথাটো কি?'

"ঘাইজনা মানে...?"

"বাল্মীকি বৰদেউতাৰ কথা কৈছোঁ। তেওঁ অত মাথা মাৰি ৰামায়ণখন নিলিখা হ'লে আমি চাগে ৰামৰ নামটোৱেই নুশুনিলোঁহেঁতেন। নায়ক ভগৱান হৈ গ'ল, কোটি কোটি ভক্তৰ সৃষ্টি হ'ল, নিউয়ৰ্কৰ টাইম স্কোৱেৰ পৰ্যন্ত ফাটাফাটি কাৰবাৰ.. এইবিলাকৰ বাবে এক নম্বৰত তেওঁহে ধন্যবাদৰ পাত্ৰ। ইপিনে ভু ৰখা মহলৰ মতে শিৱই পাৰ্বতীক ৰাম নোপজোঁতেই যেতিয়া ৰামায়ণৰ কাহিনীটো কৈ আছিল, কাষতে ৰৈ শুনি থকা এটা কাউৰীৰো মুখস্থ হৈ গ'ল। বোধকৰোঁ সিয়ে গৈ নাৰদক ক'লে। নাৰদে বাল্মীকিক। বাল্মীকিয়ে আমাক..। যদি সেয়ে হয় তেন্তে শিৱ, পাৰ্বতী, নাৰদ, কাউৰী সকলোৰেই ধন্যবাদ পোৱা উচিত। আগত এটা নিৰ্বাচন আহি আছে। সকলোকে সন্তুষ্ট কৰি ৰাখি, ৰামৰ নাম লৈ, হনুমানৰো নেগুৰে-চেগুৰে ধৰি বৈতৰণী পাৰ হোৱাটো বৰ্তমান সবাতোকৈ দৰকাৰী কথা।"

ঠিকনা ঃ ক্লাব ৰ'ড, যোৰহাট-৭৮৫০০১,
ফোন ঃ ৮৬৩৮০২৮৭৯৯
e-mail : dr.bikaasbarooa@gmail.com